অসমৰ মুখ্যমন্ত্ৰী হয়।

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

১৭ নৱেম্বৰ ২০২৫ চন □ VOL-15 □ NO-251 □ MONDAY 17 NOVEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH E

## লাহোৱালত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন ঃ 'নিয়মীয়া বাৰ্তা'ৰ বিভাস দুৱৰাক বিশেষ সম্বৰ্ধনা

# সমাজখন পোহৰ কৰাৰ মাধ্যম সাংবাদিকতা



লাহোৱাল, ১৬ নৱেম্বৰ ঃ লাহোৱাল প্ৰেছ ক্লাবৰ উদ্যোগত, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সহযোগত সংবাদ মাধ্যমৰ গুৰুত্ব তথা স্বাধীনতাৰ প্ৰতি সন্মান জনাই আজি জাতীয় প্ৰেছ দিৱস উপলক্ষে লাহোৱাল অঞ্চলৰ তেলীয়াপট্টিৰ চেঁচা নৈৰ মনোমোহা পৰিৱেশৰ মাজত আড়ম্বৰপূৰ্ণ অনুষ্ঠানটো সম্পন্ন হয়। কাৰ্যসূচী অনুসৰি পুৱা ৭ বজাত পৰিৱেশ নিকাকৰণ, ৯ বজাত গছপুলি ৰোপণ, ১০ বজাত আৰ্থিকভাৱে দুৰ্বলজনৰ মাজত খাদ্যসামগ্ৰী বিতৰণ, ১১ বজাত অনুষ্ঠিত আলোচনা-চক্ৰৰ বিষয় হৈছে 'সাংবাদিকতাৰ নীতি, প্ৰত্যাহ্বান, জনপ্ৰতিনিধিৰ তৰল মন্তব্য আৰু ভৱিষ্যৎ সম্পৰ্কে এক মুক্ত আলোচনা'।বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল গোহাঁয়ে আঁত ধৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে লাহোৱাল প্ৰেছ ক্লাবৰ সম্পাদক দিবাকৰ দত্তই। সকলোৱে হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছতেই অনুষ্ঠানৰ শুভ উদ্বোধন কৰে জ্যেষ্ঠ সাংবাদিক মনোৰঞ্জন হাজৰিকাই। লাহোৱাল প্ৰেছ ক্লাবৰ সভাপতি হোমেন ফুকনে বক্তব্য ৰখাৰ পিছতেই আলোচনাৰ বাবে বিশেষভাৱে আমন্ত্ৰিত ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই মুখ্য বক্তা হিচাপে তেওঁৰ বক্তব্য ৰাখে। তেওঁ কয়, 'সাংবাদিকৰ দায়িত্ব আমি কেনেকৈ পালন কৰিম সেয়া অতি গুৰুত্বপূৰ্ণ কথা। সাংবাদিকসকলে নিজকে পৰীক্ষা কৰিব লাগিব। বৰ্তমান সময়ত গুগল মেপ যেনেকৈ সঠিক দিশ নিৰ্ণায়ক, ঠিক তেনেকৈ আজিৰ সাংবাদিকসকলেও সত্য, সঠিক তথ্যৰে শুদ্ধ দিশলৈ সমাজখন লৈ যাব পাৰে। ত্যাগ কৰিব পাৰিব লাগিব সঠিক তথ্য দিবলৈ। সমাজখন পোহৰ কৰাৰ মাধ্যম সাংবাদিকতা। সমাজৰ আইনাস্বৰূপ। আহি থকা ৫০ বছৰলৈ ৰাজ্যখন কেনেকুৱা হ'ব, সেইটোৰ বাবে জনগণক বুজাব লাগিব, নৈতিকতাৰে আগুৱাই নিব লাগিব।' গণতন্ত্ৰক শক্তিশালী কৰাৰ একমাত্ৰ মাধ্যম সাংবাদিকসকলে সঠিক দ্ৰুত গতিৰে শুদ্ধ তথ্য দিয়াত গুৰুত্ব আৰোপ কৰে ড° শইকীয়াই। উক্ত অনুষ্ঠানতে উপস্থিত থাকি ক্ৰমে জ্যেষ্ঠ সাংবাদিক তথা ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সভাপতি বিপিন শৰ্মা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা, বিভাস দুৱৰা, মটক যুৱ-ছাত্ৰ সন্থাৰ উপ-সভাপতি অজয় গগৈ, সমাজকৰ্মী তথা এছ কে এছ ইংলিছ একাডেমীৰ স্বত্বাধিকাৰী দয়ানন্দ শ্বাহ, লাহোৱাল প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি কনৌজ শইকীয়া, ৰশ্মিৰেখা সাউদ কলিতা আদিয়ে নিৰ্ধাৰিত বিষয়ত বক্তব্য ৰাখে। আজিৰ অনুষ্ঠানত ভাষণ প্ৰসংগত জ্যেষ্ঠ সাংবাদিক মনজিৎ বৰাই কয়, 'আমাক সাংবিধানিক স্বীকৃতিৰ প্ৰয়োজন নাই, কৰ্মই ধৰ্ম বুলি মানিব লাগিব। সাংবাদ ক্ষেত্ৰখন চৰকাৰৰ ওপৰত নিৰ্ভৰ নহৈ ৰাইজৰ নিৰ্ভৰ হ'ব পাৰিব লাগিব। সাংবাদিকসকলে প্ৰশ্নবোধক চিন কাৰোপৰা নহাকৈ কাম কৰিব পাৰিব লাগিব। সমাজক আগুৱাই নিবলৈ শুদ্ধ পথ দিব জানিব লাগিব। সমাজৰ বিভিন্ন ঠাইত যেতিয়া সন্মুখৰ আসনখন সাংবাদিকক দিয়া হয়, তাৰ মৰ্যাদা ৰাখিব পাৰিব লাগিব।' তদুপৰি আজিৰ জাতীয় প্ৰেছ দিৱসতে ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক বিভাস দুৱৰাক বিশেষ সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে বিভাস দুৱৰাই বিগত তিনি দশক ধৰি নিষ্ঠা আৰু সততাৰে সংবাদ ক্ষেত্ৰখনলৈ নিৰৱচ্ছিন্নভাৱে অৱদান আগবঢ়াই আহিছে। আজিৰ অনুষ্ঠানত লাহোৱাল প্ৰেছ ক্লাবৰ সমূহ বিষয়ববীয়া, সদস্য উপস্থিত থকাৰ লগতে চাবুৱা প্ৰেছ ক্লাবৰ সম্পাদক বিশ্বজিৎ ফুকন, চাবুৱা প্ৰেছ গিল্ডৰ সম্পাদক পুস্তক ফুকন, টিংখং প্ৰেছ ক্লাবৰ সম্পাদক কৃষ্ণ গগৈ প্ৰমুখ্যে শতাধিক সাংবাদিক তথা সংবাদকৰ্মীৰ লগতে স্থানীয় ৰাইজ উপস্থিতি থাকে।

## গহপুৰত ৰাষ্ট্ৰীয়